**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাৰানসীৰ মেহদিগঞ্জত আজি ৩ হাজাৰ ৮৮৪ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে ৪৪ টা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ শ্ল'ভাকিয়া ভ্ৰমণ বিভিন্ন দিশত ঐতিহাসিক আছিল বুলি বিদেশ মন্ত্ৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে।

৩। ডি এম কেৰ নেতা তথা তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে আজি দলৰ উপ-সাধাৰণ সচিব পনমুদীক দলৰ পৰা বহিষ্কাৰ কৰে।

৪। পুডুচেৰী, কাড়াইকল আৰু য়ানমত অহা ১৫ এপ্ৰিলৰ পৰা পৰৱৰ্তী ৬১ দিনলৈ মাছ ধৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম. এ. চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে আৰতীৰ্ণ হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাৰানসীৰ মেহদিগঞ্জত আজি ৩ হাজাৰ ৮৮৪ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে ৪৪ টা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। পথ আন্তঃগাঁথনিৰ বিকাশ, বিদ্যুৎ, শিক্ষা আৰু পৰ্যটন খণ্ডৰ সৈতে জড়িত এই প্ৰকল্পসমূহৰ জৰিয়তে বাৰাণসীৰ সৰ্বাংগীন উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পাছত এখন জনসভাত অংশ লৈ বাৰানসী চহৰৰ দ্ৰুত উন্নয়নৰ বিষয়ত আলোকপাত কৰি কয়, যে কাশী এতিয়া কেৱল এখন প্ৰাচীন চহৰ হিচাপে পৰিচিত হোৱাই নহয়, বৰং প্ৰগতিৰ উল্লেখনীয় নিদৰ্শন হিচাপেও পৰিচিত হৈছে। শ্ৰী মোদীয়ে এই প্ৰাচীন চহৰখনৰ আন্তঃগাঁথনি উন্নয়ন সাধনেৰে ধৰ্মীয় পৰ্যটন খণ্ড তথা অত্যাধুনিক নগৰ হিচাপে গঢ়ি তোলাৰ দিশত গ্ৰহণ কৰা প্ৰচেষ্টাৰ শলাগ লয়।

প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰথমবাৰৰ বাবে আয়ুষ্মান কাৰ্ডৰ সুবিধা লাভ কৰা ৭০ বছৰ বয়সৰ উৰ্দ্ধৰ তিনিগৰাকী জ্যেষ্ঠ নাগৰিকক আয়ুষ্মান ৱয় বন্দনা কাৰ্ড, তিনিখন ভৌগোলিক সূচাংক প্ৰমাণ পত্ৰ আৰু ৰাজ্যখনৰ দুগ্ধখণ্ডৰ সৈতে জড়িত কৃষকসকলৰ বাবে ১০৬ কোটি টকাৰ বোনাছ হস্তান্তৰ কৰে।

শ্ৰী মোদী আজি বিয়লি ভাগত মধ্যপ্ৰদেশলৈ যাব। তাত তেওঁ ইছাগড়ৰ গুৰুজী মহাৰাজ মন্দিৰত পূজা-অৰ্চনা কৰিব। শ্ৰী মোদীয়ে আনন্দপুৰ ধামত এটা ৰাজহুৱা অনুষ্ঠানত অংশ ল'ব আৰু এটা সমাৰেশত ভাষণ দিব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তেওঁৰ শ্ল'ভাকিয়া ভ্ৰমণ সফলভাৱে সমাপ্ত কৰিছে। ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণ বিভিন্ন দিশত ঐতিহাসিক আছিল বুলি বিদেশ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে শ্লোভাক গণৰাজ্যৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিণী আৰু প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়। এই ভ্ৰমণকালত ভাৰত আৰু শ্ল'ভাকিয়াৰ মাজত দুখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়।

শ্ল'ভাকিয়াৰৰ কনষ্টেনটাইন দ্যা ফিল'চ'ফাৰ বিশ্ববিদ্যালয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সন্মানীয় ডক্টৰেট উপাধি প্ৰদান কৰে। সমাজ সেৱা, সামাজিক ন্যায় আৰু শিক্ষা তথা মহিলা সবলীকৰণৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য বৰঙণিৰ বাবে শ্ৰীমতী মুৰ্মুক এই সন্মান প্ৰদান কৰা হয়। এই ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৱে শ্ল'ভাকিয়া-ভাৰত ব্যৱসায় মঞ্চৰ এটা অনুষ্ঠানতো অংশ লয়। ৰাষ্ট্ৰপতি মুৰ্মুৰ এই ভ্ৰমণে অট'মটিভৰ পৰা আৰম্ভ কৰি ষ্টীল, ৰে'লৱে, জৈৱ ইন্ধন খণ্ডৰ উপৰি পৰ্যটন, সৃষ্টিশীল কলা আদিকে ধৰি নতুন নতুন খণ্ডত দুয়োখন দেশৰ মাজৰ বাণিজ্য সহযোগিতা তথা সুযোগ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

ডি এম কেৰ নেতা তথা তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে আজি দলৰ উপ-সাধাৰণ সচিব পনমুদীক এই পদৰ পৰা বহিস্কাৰ কৰে। পনমুদীয়ে মহিলা সন্দৰ্ভত বিৰূপ মন্তব্য কৰা এটা ভিডিঅ' প্ৰচাৰ হোৱাৰ পাছত ডি এম কেৰ সাংসদ কানিমুঝিকে ধৰি বিভিন্ন মহলে ইয়াৰ ব্যাপক সমালোচনা কৰাৰ পৰিপ্ৰেক্ষিতত তেওঁক দলৰ পৰা বহিস্কাৰ কৰা হয়। পনমুদীয়ে ষ্টেলিন চৰকাৰৰ বন মন্ত্ৰী হিচাপেও দায়িত্বভাৰ গ্ৰহণ কৰি আছিল। মন্ত্ৰীগৰাকীৰ মন্তব্যৰ ভিডিঅ'টো অনলাইন মাধ্যমত বহুল প্ৰচাৰ হোৱাৰ ফলত দলৰ শীৰ্ষ নেতৃত্বই অতি শীঘ্ৰে এই সিদ্ধান্ত গ্ৰহণ কৰে। ত্ৰিচি শিৱাক দলৰ নতুন উপ-সাধাৰণ সচিব হিচাপে নিযুক্তি দিয়া হয়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাজ সংস্কাৰক মহাত্মা ফুলেৰ জয়ন্তীত তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে মহাত্মা ফুলে প্ৰকৃতাৰ্থত এগৰাকী মানৱতাৰ সেৱক আছিল বুলি উল্লেখ কৰি কয়, যে তেওঁ সমাজৰ শোষিত-নিষ্পেষিত জনসাধাৰণৰ কল্যাণৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল। দেশৰ প্ৰতি আগবঢ়োৱা অনবদ্য অৱদানে প্ৰতিটো প্ৰজন্মকে অনুপ্ৰাণিত কৰি যাব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

পুডুচেৰী, কাড়াইকল আৰু য়ানমত অহা ১৫ এপ্ৰিলৰ পৰা পৰৱৰ্তী ৬১ দিনলৈ মাছ ধৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। মাহেত অহা পহিলা জুনৰ পৰা এই নিষেধাজ্ঞা কাৰ্যকৰী হ'ব।

সাগৰীয় জৈৱ বৈচিত্ৰৰ দীৰ্ঘদিনীয়া বহন ক্ষমতা সুনিশ্চিত কৰাৰ লগতে মাছৰ প্ৰজনন সুনিশ্চিত কৰাৰ লক্ষ্যৰে সাময়িকভাৱে প্ৰতি বছৰে এই মাছধৰা কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰা হয়। কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ মীন বিভাগে এটা প্ৰেছ বিজ্ঞপ্তি যোগে মাছধৰাত নিষেধাজ্ঞা ঘোষণা কৰি কয়, যে অহা ১৫ এপ্ৰিলৰ পৰা ১৪ জুনলৈ পুডুচেৰী, কাড়াইকল আৰু য়ানমৰ উপকূলীয় অঞ্চলত তথা পহিলা জুনৰ পৰা অহা ৩১ জুলাই লৈ মাহে অঞ্চলত এই ঘোষণা কাৰ্যকৰী হ'ব।০০০০

০০০০০০০০০

দিল্লী চৰকাৰে প্ৰধানমন্ত্ৰী আয়ুষ্মাণ ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযান ৰূপায়ণ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰখনৰ শলাগ লৈছে। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাৰ সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ প্ৰতি সঁহাৰি জনাই

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দিল্লীৰ স্বাস্থ্য খণ্ডৰ দিশত এয়া হৈছে এটা উল্লেখনীয় পদক্ষেপ। তেওঁ কয়, যে এই অভিযানৰ জৰিয়তে ৰাষ্ট্ৰীয় ৰাজধানীখনৰ লাখ লাখ নাগৰিক বিশেষভাৱে উপকৃত হ'ব।

০০০০০০০০০

২০২৬ বৰ্ষৰ পদ্ম বঁটাসমূহৰ বাবে মনোনয়ন দাখিল অহা ৩১ জুলাই পৰ্যন্ত খোলা থাকিব। অহা বছৰৰ গণৰাজ্য দিৱসত এই বঁটা ঘোষণা কৰা হ'ব। যোৱা ১৫ মাৰ্চত পদ্ম বঁটাৰ বাবে মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছিল। গৃহমন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে এই বঁটাৰ বাবে মনোনয়ন আৰু পৰামৰ্শসমূহ কেৱল ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলতহে গ্ৰহণ কৰা হ'ব। পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী বঁটা হৈছে দেশৰ সৰ্বোচ্চ অসামৰিক বঁটা। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, চিকিৎসা, সমাজ সেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, ৰাজহুৱা পৰিক্ৰমা, অসামৰিক সেৱা, বাণিজ্য আৰু উদ্যোগ ক্ষেত্ৰত লাভ কৰা অনবদ্য সফলতাৰ বাবে এই বঁটা আগবঢ়োৱা হয়।

০০০০০০০০০

নেপাল আৰক্ষীয়ে চিকিৎসা উদ্যোগী তথা ৰাজনৈতিক কৰ্মী দুৰ্গা প্ৰচাইক হিংসাত্মক প্ৰতিবাদ সাব্যস্ত কৰাৰ গোচৰত গ্ৰেপ্তাৰ কৰিছে। যোৱা ২৮ মাৰ্চত তিনকোনিত হিংসাত্মক প্ৰতিবাদৰ পাছৰে পৰা তেওঁ পলাতক অৱস্থাত আছিল। এই প্ৰতিবাদত দুজন লোকৰ মৃত্যু হোৱাৰ উপৰি কেইবাটাও অট্টালিকা আৰু ব্যক্তিগত সা-সম্পত্তি ক্ষতিগ্ৰস্ত হৈছিল। আৰক্ষীয়ে শ্ৰী প্ৰচাইক ঝাপাৰ ভদ্ৰপুৰ এলেকাৰ পৰা গ্ৰেপ্তাৰ কৰি তদন্তৰ বাবে কাঠমাণ্ডুলৈ লৈ আনে। দুৰ্গা প্ৰচাইৰ লগতে আৰক্ষীয়ে তেওঁৰ সহযোগী দীপক খাৰাকো গ্ৰেপ্তাৰ কৰে।

০০০০০০০০০

ভাৰতীয় মহিলা হকী দলটো অহা ২৬ এপ্ৰিলৰ পৰা ৪ মে'লৈ হবলগীয়া ৫ খনীয়া শৃংখলাৰ বাবে অষ্ট্ৰেলিয়ালৈ যাব। ২৬ আৰু ২৭ এপ্ৰিলত ভাৰতীয় দলটোৱে অষ্ট্ৰেলিয়া-এৰ বিৰুদ্ধে খেল আৰম্ভ কৰিব। মে' মাহৰ ১, ৩ আৰু ৪ তাৰিখত দলটোৱে জ্যেষ্ঠ অষ্ট্ৰেলিয়া দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ আটাইকেইখন খেল পাৰ্থ হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম. এ. চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। চেন্নাই ছুপাৰ কিংছৰ অধিনায়ক মহেন্দ্ৰ সিং ধোনীয়ে আই. পি. এলৰ এইবাৰৰ সংস্কৰণৰ বাকী খেল কেইখনত পূৰ্ণকালীন অধিনায়ক ৰুতুৰাজ গায়কোৱাড়ৰ স্থান ল'ব বুলি ঘোষণা কৰিছে। গায়কোৱাড়ক কিলাকুটিৰ আঘাতৰ বাবে বাকী কেইখন খেলৰ পৰা বাদ দিয়া হৈছে।

ডেলহি কেপিটেলছে যোৱানিশা বাংগালুৰুৰ এম ছিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০০০০০

**সমাপ্ত**